**Signature and Name of Invigilator**

1. (Signature) ______________________

   (Name) ______________________

2. (Signature) ______________________

   (Name) ______________________

**OMR Sheet No. :** ..............................................
(To be filled by the Candidate)

**Roll No.** | | | | | | | | |
(In figures as per admission card)

**Roll No.** ______________________
(In words)

**D 3 6 1 5**

# PAPER - II
# ASSAMESE

**Time : 1¼ hours]** **[Maximum Marks : 100**

Number of Pages in this Booklet : **12** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Test Booklet Number should be entered on the OMR Sheet and the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (1), (2), (3) and (4). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** ① ② ● ④ where (3) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Booklet only.** If you mark your response at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means, such as change of response by scratching or using white fluid, you will render yourself liable to disqualification.
9. You have to return the original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are however, allowed to carry original question booklet and duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There are no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. इस पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. इस प्रश्न पत्र में पचास बहुविकल्पीय प्रश्न हैं।
3. परीक्षा प्रारम्भ होने पर, प्रश्न पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न पुस्तिका खोलने के लिए पुस्तिका पर लगी कागज की सील को फाड़ लें। खुली हुई या बिना स्टीकर सील की पुस्तिका स्वीकार न करें।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
   (iii) इस जाँच के बाद प्रश्न पुस्तिका का नंबर OMR पत्रक पर अंकित करें और OMR पत्रक का नंबर इस प्रश्न पुस्तिका पर अंकित कर दें।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (1), (2), (3) तथा (4) दिये गये हैं। आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है।
   **उदाहरण :** ① ② ● ④ जबकि (3) सही उत्तर है।
5. प्रश्नों के उत्तर **केवल प्रश्न पुस्तिका के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं। यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिन्हांकित करते हैं, तो उसका मूल्यांकन नहीं होगा।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, जैसे कि अंकित किये गये उत्तर को मिटाना या सफेद स्याही से बदलना तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं।
9. आपको परीक्षा समाप्त होने पर मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें। हालांकि आप परीक्षा समाप्ति पर मूल प्रश्न पुस्तिका तथा OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है।**
12. **गलत उत्तरों के लिए कोई नकारात्मक अंक नहीं हैं।**



www.examrace.com

## ASSAMESE
## অসমীয়া - II
## PAPER - II
## প্ৰশ্নকাকত - II

**Note :** This paper contains **fifty (50)** objective type questions, each question carrying **two (2)** marks. Attempt **all** the questions.

টোকা : এই প্ৰশ্নকাকতত বহু বিকল্পীয় **পঞ্চাশ (50)** টা প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **দুই (2)**। উত্তৰ পত্ৰত শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ। **সকলো** প্ৰশ্নৰে উত্তৰ কৰিবাঁ।

**1.** সৰোহবজ্ৰৰ সৈতে তলৰ কোনখন গ্ৰন্থৰ নাম জড়িত ?

(1) চৰ্যাচৰ্য বিনিশ্চয় (2) দোহাকোষ (3) ডাকাৰ্নৱ (4) চৰ্যাগীতিকোষ

**2.** যোগীৰ কান্ধত কানি-জুলি যত
হাতে দোৰাদহ কাঠি।
লৰৰন্তে লৰ ৰন্তে পাছ চান্তে
হিয়ামানে গৈল ফাটি।।

উক্ত পদফাঁকি তলৰ কোনখন গ্ৰন্থত পোৱা যায়?

(1) ভীম চৰিত (2) কীৰ্ত্তন ঘোষা (3) পাতাল কাণ্ড (4) সপ্তকাণ্ড ৰামায়ণ

**3.** দেবেন্দ্ৰনাথ বেজবৰুৱাই বৰগীতক কি অভিধানে অভিহিত কৰিছিল?

(1) Noble numbers (2) Great song (3) Song celestial (4) Holy songs

**4.** মাধৱদেৱে শঙ্কৰদেৱক 'সাক্ষাতে কৃষ্ণৰ অংশ'বুলি কোনখন গ্ৰন্থত বৰ্ণনা কৰিছে?

(1) জন্ম ৰহস্য (2) অনাদি পাতন (3) নামঘোষা (4) ভক্তি ৰত্নাৱলী

**5.** ভট্টদেৱৰ 'গীতাকথা' বা 'কথাগীতা'ৰ প্ৰথম সম্পাদকগৰাকী হৈছে :

(1) সত্যেন্দ্ৰনাথ শৰ্মা (2) হেমচন্দ্ৰ গোস্বামী (3) মহেশ্বৰ নেওগ (4) উপেন্দ্ৰ চন্দ্ৰ লেখাৰু

**6.** তলৰ কোনখন বুৰঞ্জী শ্ৰীনাথ দুৱৰা বৰবৰুৱাই ৰচনা কৰা?

(1) দাঁতিৱলীয়া বুৰঞ্জী (2) পুৰণি অসম বুৰঞ্জী
(3) দেওধাই অসম বুৰঞ্জী (4) তুংখুঙীয়া বুৰঞ্জী

**7.** তলৰ কোনপ্ৰকাৰৰ গীতত বিপ্ৰলম্ভ শৃংগাৰ ৰস ফুটি ওথায়?

(1) বাৰমাহী গীত (2) গৰখীয়া গীত (3) নাওখেলৰ গীত (4) চিকন সৰিয়হৰ গীত



www.examrace.com

8. নিস্তব্ধ বাসৰ-সভা। সভাতলে আজি
বসিছে ত্ৰিদিৱ বাসী ত্ৰিদিবেশ সহ
বিমৰ্ষে নীৰৱ হুয়া; নাহি বাক্য মুখে,
কাষ্ঠ-পুত্তলিকাগণ বাক্যহীন যথা।
উদ্ধৃত স্তৱকটি তলৰ কোনটো কবিতাৰ অন্তৰ্ভূক্ত?
(1) ভোলানাথ দাসৰ 'বাসৰ-সভা' (2) বলিনাৰায়ন বৰাৰ 'অসমীয়া বাবু'
(3) ৰঘুনাথ চৌধুৰীৰ 'ফুল-শয্যা' (4) কমলাকান্ত ভট্টাচাৰ্যৰ 'পাহৰণি'

9. তলৰ কোনখন আলোচন ৰঘুনাথ চৌধাৰীয়ে সম্পাদনা কৰিছিল?
(1) জয়ন্তী (2) পছোৱা (3) ৰামধেনু (4) বাঁহী

10. 'আৱাহন' আলোচনৰ প্ৰথমগৰাকী সম্পাদক হৈছে :
(1) নগেন্দ্ৰ নাৰায়াণ চৌধুৰী (2) নীলমণি ফুকন
(3) দীননাথ শৰ্মা (4) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

11. 'ওমফা পূজা' তলৰ কোনটো জনগোষ্ঠীয়ে পালন কৰে?
(1) ফাকে (2) তুৰুং (3) আহোম (4) আইতন

12. তলৰ কোনটো উৎসৱ প্ৰজনন আৰু উৰ্বৰতা শক্তিৰ প্ৰতীক ৰূপে পালন কৰা হয়?
(1) ওৱাংগালা (2) খেৰাই (3) চ'মাংকান (4) ৰংচুগালা

13. তলৰ কোনবিধ অলংকাৰ ভৰিত পিন্ধে?
(1) কংকালি (2) কৰধ্বনি (3) কাঞ্চি (4) মঞ্জীৰ

14. ''চৰ্মবৰ্ণ পীত বা পীত-পীংগল, কেশ ক'লা, ঋজু আৰু অমসৃণ। দাড়ি-গোঁফ আৰু গাৰ নোম তাকৰ। মুখমণ্ডল বহল আৰু চেপ্টা। কপালোস্থি বৰ স্পষ্ট।'' -এই আৱয়বিক লক্ষণ কোন নৃ-প্ৰজাতিৰ বৈশিষ্ট্য?
(1) অষ্ট্ৰেলীয় (2) মংগোলীয় (3) ককেছীয় (4) নেগ্ৰিটো

15. উমাচল শিলা-লিপি কোন শতিকাৰ?
(1) চতুৰ্থ (2) পঞ্চম (3) ষষ্ঠ (4) সপ্তম

16. সংস্কৃতৰ তালব্য স্পৰ্শ ব্যঞ্জনসমূহ অসমীয়াত কি ধ্বনি ৰূপে উচ্চাৰিত হয়?
(1) তালব্য সৃষ্ট ৰূপে (2) দন্তমূলীয় ৰূপে
(3) দন্তমূলীয় তালব্য সৃষ্ট ৰূপে (4) দন্তমূলীয় উষ্মৰূপে



www.examrace.com

17. ‘ৰামৰ নিমিত্তে’-এই বাক্যটিত ব্যৱহৃত ‘নিমিত্তে’ ৰূপটি ব্যাকৰণত কি নামেৰে জনা যায়?

(1) ক্ৰিয়াবাচক পৰসৰ্গ (2) নিৰ্দিষ্টতাবাচক প্ৰত্যয়

(3) বিশেষ্যবাচক পৰসৰ্গ (4) কালবাচক ক্ৰিয়া-বিশেষণ

18. য'ত প্ৰত্যেকটো ৰুদ্ধ দলৰ মাত্ৰাগত মূল্য নিৰ্বিকল্প ৰূপত যিকোনো মুক্তদলৰ দুগুণ, তেনে ছন্দৰীতিক বোলা হয় :

(1) মাত্ৰাবৃত্ত (2) যৌগিক (3) স্বৰবৃত্ত (4) বলবৃত্ত

19. ‘অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা’ গ্ৰন্থখনৰ ৰচক :

(1) নগেন শইকীয়া (2) বাপচন্দ্ৰ মহন্ত

(3) হীৰেন গোহাঁই (4) শিৱনাথ বৰ্মণ

20. ‘সূৰ্য হেনো নামি আছে এই নদীয়েদি’ কবিতা পুথিৰ ৰচক :

(1) মহেন্দ্ৰ বৰা (2) নৱকান্ত বৰুৱা (3) ভবেন বৰুৱা (4) নীলমণি ফুকন

**তলৰ 21 ৰ পৰা 30 লৈ প্ৰতিটো প্ৰশ্নৰ লগত চাৰিটাকৈ প্ৰসংগ দিয়া আছে আৰু উত্তৰ স্বৰূপে সেই প্ৰসঙ্গসমূহৰ পৰা চাৰিটা বিকল্প (1), (2), (3), (4) দিয়া আছে। শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :**

21. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই লিখা দুখন উপন্যাস :

(a) মানুহ আটাইবোৰ দ্বীপ (b) শতঘ্নী

(c) কবৰ আৰু ফুল (d) মাটিৰ চাকি

(1) (b) আৰু (c) (2) (b) আৰু (d)

(3) (a) আৰু (c) (4) (c) আৰু (d)

22. ভক্তিৰ গভীৰতা, অনুভূতিৰ তীব্ৰতা আৰু প্ৰকাশভঙ্গীৰ অনাড়ম্বৰ গতি প্ৰতিফলিত হোৱা গীতৰ থূল :

(a) আইনাম (b) ধাইনাম

(c) নাওখেলৰ গীত (d) অপেছৰা সবাহৰ গীত

(1) (b) আৰু (c) (2) (a) আৰু (b)

(3) (a) আৰু (d) (4) (c) আৰু (d)

23. ৰামসৰস্বতীৰ দুখন বধকাব্য :

(a) খটাসুৰ বধ (b) জয়প্ৰথ বধ

(c) কীচক বধ (d) অশ্বকৰ্ণ বধ

(1) (b) আৰু (c) (2) (a) আৰু (d)

(3) (a) আৰু (c) (4) (c) আৰু (d)



www.examrace.com

**24.** জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনভিত্তিক উপন্যাসৰ থূল :

(a) ফেৰেঙ্গাদাও
(b) ৰূপতীৰ্থৰ যাত্ৰী
(c) তোৰে মোৰে আলোকৰে যাত্ৰা
(d) আকাশবন্তি

(1) (b) আৰু (c)
(2) (b) আৰু (d)
(3) (a) আৰু (d)
(4) (c) আৰু (d)

**25.** গোলোক চন্দ্ৰ গোস্বামীৰ প্ৰণীত দুখন গ্ৰন্থ :

(a) অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ
(b) অসমীয়া ভাষাৰ ব্যাকৰণ
(c) অসমীয়া ভাষাৰ ৰূপকথা
(d) অসমীয়া ব্যাকৰণ প্ৰবেশ

(1) (b) আৰু (c)
(2) (a) আৰু (d)
(3) (c) আৰু (d)
(4) (b) আৰু (d)

**26.** দুটা কৃষিভিত্তিক উৎসৱ :

(a) টুচু
(b) আগালমাকা
(c) বায়খো
(d) চড়ক পূজা

(1) (b) আৰু (d)
(2) (a) আৰু (d)
(3) (a) আৰু (c)
(4) (b) আৰু (c)

**27.** ডিম্বেশ্বৰ নেওগৰ দ্বাৰা প্ৰনীত দুখন পুথি :

(a) Origin and growth of the Assamese Language and Literature.
(b) New Light on the History of Assamiya Literature.
(c) Growth of the Assamiya Language.
(d) A study of Phonology and vocabulary of the Assamase Language.

(1) (b) আৰু (d)
(2) (a) আৰু (c)
(3) (c) আৰু (d)
(4) (b) আৰু (c)

**28.** দুখন শিশু আলোচনী :

(a) নৱযুগ
(b) পাৰিজাত
(c) কঁাচিজোন
(d) বিশ্ববাৰ্তা

(1) (a) আৰু (d)
(2) (a) আৰু (b)
(3) (b) আৰু (d)
(4) (b) আৰু (c)



www.examrace.com

**29.** হৰেকৃষ্ণ ডেকাই লিখা দুটা কবিতা :

(a) ধুমহাৰ প্ৰান্তত (b) উত্তৰ পুৰুষ

(c) জাৰৰ ৰাতি মানুহজন (d) সমুদ্ৰ ভীতি

(1) (b) আৰু (d) (2) (a) আৰু (d)

(3) (b) আৰু (c) (4) (a) আৰু (c)

**30.** হীৰেন গোহাঁই ৰচিত দুখন আত্মজীৱনী :

(a) উপলা নদীৰ দৰে (b) হেঙুল আকাশ, ক'লা চাইকেল আৰু এজন আৰোহী

(c) মজিয়াৰ পৰা মেজলৈ (d) বতাহত ক'ৰ গোধূলি গোপাল

(1) (b) আৰু (c) (2) (a) আৰু (c)

(3) (c) আৰু (d) (4) (b) আৰু (d)

**31 ৰ পৰা 35 লৈ দিয়া প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভৰ বিষয় সমূহ মিলাই (1), (2), (3), (4) -এই চাৰিটা বিকল্প দেখুওৱা হৈছে। তাৰে পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰাঁ।**

**31.**

| 'ক'-স্তম্ভ | | 'খ'-স্তম্ভ | |
|---|---|---|---|
| (a) | লা মিজাৰেৰল | (i) | বনহংসী |
| (b) | আফকেজ টেন | (ii) | বনিজ কোঁৱৰ |
| (c) | দা ৱাইল্ড ডাক | (iii) | পমিলীৰ পৰিয়াল |
| (d) | মাৰ্চেন্ট অৱ ভেনিছ | (iv) | দীন দুখী |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iv) | (ii) | (i) | (iii) |
| (2) | (ii) | (i) | (iv) | (iii) |
| (3) | (iv) | (iii) | (i) | (ii) |
| (4) | (iii) | (iv) | (ii) | (i) |

**32.**

| 'ক'-স্তম্ভ | | 'খ'-স্তম্ভ | |
|---|---|---|---|
| (a) | সংযুক্তিবাদ | (i) | ফ্ৰাঞ্জ ফেনন |
| (b) | নিৰ্গঠনবাদ | (ii) | ফাৰ্ডিনাণ্ড দ্য চাচ্যুৰ |
| (c) | উত্তৰ ঔপনিৱেশিকতাবাদ | (iii) | ৰঁলা বাৰ্থ |
| (d) | নাৰীবাদ | (iv) | মেৰী ৱলষ্টন ক্ৰাফ্ট্ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (i) | (iv) | (ii) | (iii) |
| (2) | (iii) | (ii) | (iv) | (i) |
| (3) | (ii) | (iii) | (i) | (iv) |
| (4) | (ii) | (i) | (iv) | (iii) |



www.examrace.com

33. **'ক'-স্তম্ভ** **'খ'-স্তম্ভ**

| | | | |
|---|---|---|---|
| (a) | ভাষাবিজ্ঞানৰ ভূমিকা | (i) | দীপ্তি ফুকন পাটগিৰি |
| (b) | ভাষাবিজ্ঞান উপক্ৰমণিকা | (ii) | ৰমেশ চন্দ্ৰ পাঠক |
| (c) | ভাষা বিজ্ঞান | (iii) | অপৰ্ণা কোঁৱৰ |
| (d) | ভাষাতত্ত্ব | (iv) | উপেন্দ্ৰনাথ গোস্বামী |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (iii) | (iv) | (i) | (ii) |
| (2) | (ii) | (iii) | (i) | (iv) |
| (3) | (ii) | (iii) | (iv) | (i) |
| (4) | (iii) | (i) | (ii) | (iv) |

34. **'ক'-স্তম্ভ** **'খ'-স্তম্ভ**

| | | | |
|---|---|---|---|
| (a) | ফোম | (i) | চিকিম |
| (b) | লেপ্‌চা | (ii) | অৰুণাচল |
| (c) | টাগিন্ | (iii) | নাগালেণ্ড |
| (d) | কক্‌বৰক্ | (iv) | ত্ৰিপুৰা |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (iii) | (iv) | (i) | (ii) |
| (2) | (ii) | (i) | (iv) | (iii) |
| (3) | (ii) | (i) | (iii) | (iv) |
| (4) | (iii) | (i) | (ii) | (iv) |

35. **'ক'-স্তম্ভ** **'খ'-স্তম্ভ**

| | | | |
|---|---|---|---|
| (a) | সাহিত্য উপক্ৰমণিকা | (i) | বীৰেণ বৰকটকী |
| (b) | সাহিত্য আৰু চেতনা | (ii) | ৰামমল ঠাকুৰীয়া |
| (c) | সাহিত্যৰ পটভূমি | (iii) | হীৰেন গোহাঁই |
| (d) | সাহিত্য বিচাৰ | (iv) | মহেন্দ্ৰ বৰা |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (iv) | (iii) | (i) | (ii) |
| (2) | (i) | (ii) | (iv) | (iii) |
| (3) | (iv) | (ii) | (iii) | (i) |
| (4) | (i) | (iv) | (ii) | (iii) |



www.examrace.com

**তলত 36 ৰ পৰা 40 লৈকে দিয়া বিষয়সমূহ লগত দিয়া নিৰ্দেশনাৰ আধাৰত সজাই (1), (2), (3), (4) গোটৰ পৰা শুদ্ধ ক্ৰমটো নিৰ্ণয় কৰাঁ।**

**36.** প্ৰকাশৰ চন অনুসৰি সজোৱাঁ :

(a) পছোৱা (b) আৱাহন

(c) জয়ন্তী (d) সুৰভি

(1) (b) (a) (d) (c)
(2) (c) (d) (a) (b)
(3) (a) (b) (d) (c)
(4) (b) (c) (d) (a)

**37.** জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ :

(a) নিধি লিৱাই ফাৰোৱেল (b) মাইলছ ব্ৰন্সন

(c) নাথান ব্ৰাউন (d) এ.কে.গাৰ্ণি

(1) (c) (b) (a) (d)
(2) (a) (b) (d) (c)
(3) (c) (a) (b) (d)
(4) (d) (c) (a) (b)

**38.** প্ৰকাশৰ চন অনুসৰি সজোৱাঁ :

(a) ৰূপালীম (b) কাৰেঙৰ লিগিৰী

(c) শোণিত কুঁৱৰী (d) লভিতা

(1) (c) (b) (a) (d)
(2) (b) (c) (a) (d)
(3) (c) (b) (d) (a)
(4) (a) (d) (b) (c)

**39.** জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ :

(a) ভট্টদেৱ (b) কবিৰত্ন সৰস্বতী

(c) ৰাম সৰস্বতী (d) পীতাম্বৰ দেৱ

(1) (a) (c) (b) (d)
(2) (b) (d) (c) (a)
(3) (c) (a) (b) (d)
(4) (b) (c) (d) (a)

**40.** কালানুক্ৰমিকভাৱে সজোৱাঁ :

(a) ৰাউতকুছিৰ তাম্ৰশাসন (b) নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি

(c) কানাই বৰশীবোৱা শিলালিপি (d) গুৱাকুছিৰ তাম্ৰশাসন

(1) (b) (d) (c) (a)
(2) (d) (c) (b) (a)
(3) (a) (c) (b) (d)
(4) (c) (d) (a) (b)



www.examrace.com

**তলৰ 41 ৰ পৰা 45 লৈ থকা প্ৰশ্নসমূহত কাৰ্যকাৰণৰ আধাৰত (1), (2), (3), (4) চাৰিটা বিকল্প দিয়া হৈছে। তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ।**

**41.** 'আৰ্যসকলৰ আগমনত ভাৰতবৰ্ষত এটা নতুন যুগৰ সূচনা হয়। কাৰণ-

(1) আৰ্যসকলৰ সংস্কৃতিয়ে ভাৰতৰ সাংস্কৃতিক আৰু প্ৰজাতীয় ইতিহাসৰ বিশেষ পৰিবৰ্তন ঘটায়।

(2) ভাৰতবৰ্ষৰ সাংস্কৃতিক আৰু প্ৰজাতীয় ইতিহাসত আৰ্যসকলৰ প্ৰভাৱ বিদ্যমান।

(3) আৰ্যসকলৰ সংস্কৃতি থলুৱা সংস্কৃতিৰ লগত বিলীন হৈ গ'ল।

(4) আৰ্যসকলৰ ভাৰতত প্ৰৱেশ কৰি সিন্ধু আৰু গঙ্গা উপত্যকাত বসবাস কৰিছিল।

**42.** সিংহ যোৰে যোৰে যুঁজি যুঁজি মৰে

বাটকুৰা দেখা পাই।

পালে মানে গম কালান্তক যম

একে চাবে আহি ধৰে।।

উক্ত পংক্তিটিত ভয়ানক ৰসৰ প্ৰকাশ ঘটিছে। কাৰণ-

(1) সন্দেহ, শংকা, আবেগ, মৃত্যু আদি ইয়াৰ সঞ্চাৰী ভাৱ

(2) ভয়, মৃত্যু, শংকা আদি ইয়াৰ উদ্দীপন বিভাৱ

(3) যুঁজি যুঁজি মৃত্যু বৰণ কৰা ইয়াৰ আলম্বন বিভাৱ

(4) মৃত্যু, বাটকুৰা, কালান্তক যম আদি সঞ্চাৰী ভাৱ

**43.** চ'তে গ'ই গ'ই বহাগে পালেহি

ফুলিলে ভেবেলি লতা।

-ই বৃত্তানুপ্ৰাস অলংকাৰৰ উদাহৰণ। কাৰণ-

(1) স্তৱকটিত ধ্বনিবিন্যাসৰ মিল আছে।

(2) স্তৱকটিত 'ল' বৰ্ণৰ একাধিক আবৃত্তিৰ পুনৰাবৃত্তি ঘটিছে।

(3) স্তৱকটিত কোমল 'ল' বৰ্ণৰ প্ৰয়োগ ঘটিছে।

(4) স্তৱকটিৰ বৰ্ণ বিন্যাসত অধিক সাজ-সজ্জা দেখিবলৈ পোৱা যায়।

**44.** দুপৰীয়া বেলি পানীয়ে উছালি

সিঁচিছে মুকুতা তৰা।

ফটিক পানীৰ মাজে মাজে ধীৰ

চৰিছে পোৱাল ডৰা।।

উক্ত স্তবকটিত ত্ৰিপদী ছন্দসজ্জাৰ প্ৰয়োগ ঘটিছে। কাৰণ-

(1) স্তৱকটিত ছটা পদ আছে আৰু প্ৰত্যেক পদৰে শেষ আখৰৰ মিল আছে।

(2) স্তৱকটিৰ তিনিটা পদৰ প্ৰতি পদতেই ছয় মাত্ৰাকৈ আছে।

(3) স্তৱকটিত তিনিটা পদৰ একোটাকৈ চৰণ আছে আৰু প্ৰতিটো পদ 6 + 6 + 8 ৰূপকল্পৰ।

(4) স্তৱকটিত প্ৰতিটো চৰণতে তিনিটা পদৰ শেষ পৰ্বৰ অন্ত্য আখৰৰ মিল আছে।



www.examrace.com

45. অসমীয়া লিপি মূল ভাৰতীয় লিপিৰে ঠাল আৰু বৰ্ণ সংখ্যাৰ ক্ষেত্ৰতো সমতা আছে যদিও এই লিপিৰ আৰ্হিয়ে স্বকীয় ৰূপ পৰিগ্ৰহ কৰাৰ কাৰণ-

(1) অসমীয়া লিপি বিভিন্ন সময়ত বেলেগ ধৰণে লিখা হৈছিল।

(2) বিভিন্ন পদ্ধতিৰে মহী তৈয়াৰ কৰি প্ৰাচীন লিপি লিখা হৈছিল।

(3) অসমীয়া লিপি সাঁচিপাত আৰু তুলাপাতত লিখা হৈছিল।

(4) অসমীয়া লিপি প্ৰথমতে কাপ-মৈলামেৰে লিখা হৈছিল।

**তলত দিয়া খণ্ডটো মনোযোগেৰে পঢ়াঁ আৰু 46 ৰ পৰা 50 লৈকে সংলগ্ন প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ (1), (2), (3), (4) ৰ মাজৰ পৰা বাছি উলিওৱাঁ।**

এইসকল কবিৰ ব্যক্তিগত প্ৰচেষ্টাত কবিতাৰ কোনো স্বীকৃত ধাৰাৰ পৰিচয় বা কোনো কবিত্বময় জাগৰণৰ উচ্ছ্বাস নাই। এই পৰিচয়, এই উচ্ছ্বাসৰ প্লাৱন আহিল যেতিয়া পশ্চিম প্ৰৱাহৰ দ্বাৰৰ উন্মোচন ঘটিল, আৰু দুৱাৰখন মুকলি কৰি দিলে পাশ্চাত্য প্ৰভাৱৰ প্ৰৱল বন্যাৰে ধৌত কলিকতা মহানগৰীতে পঢ়া দুজনমান কলেজীয়া ছাত্ৰই। অসমীয়া ভাষা-সাহিত্যক অৱহেলা আৰু আত্মপ্ৰত্যয়হীনতাৰ ক্লেদ-অৱসাদৰপৰা উদ্ধাৰ কৰিবলৈ কৰা এওঁলোকৰ সঙ্কল্পই অসমীয়া কাব্যবাণীক সম্পূৰ্ণ প্ৰকাশ-স্বাধীনতা দিলে আৰু আদি উনবিংশ শতকৰ ৰোমান্টিক ইংৰাজী কবিতাৰ স্পৰ্শই নিদ্ৰাৰপৰা তুলিলে। কাব্যিক প্ৰচেষ্টাৰ আদৰ্শৰূপে আগৰ সাহিত্যিক যুগক বিস্মৃতিৰ গৰ্ভলৈ এৰি দিয়া হ'ল। আনফালে ৰোমান্টিক অতীতৰ প্ৰতি অনুৰাগ সাৰ পাই উঠিল। পৰাধীনতাৰ গ্লানিয়ে অন্তৰক বিষাক্ত কৰি তোলাত নতুন কবিয়ে স্বাধীনতাৰ জয়গান গাই উঠিল। প্ৰকৃতি, সৌন্দৰ্য, ব্যক্তিগত প্ৰেম-প্ৰণয় আৰু ক্ষুদ্ৰ মানৱ কবিতাৰ গৌৰৱান্বিত স্বতন্ত্ৰ বিষয়-বস্তু হৈ উঠিল। শঙ্কৰদেৱে ভগৱন্তৰ লীলাৰ পৰিৱেশ সৃষ্টিৰ যত্নত দুই-এশাৰীত প্ৰাকৃতিক পটভূমি পটুতাৰে অঙ্কন কৰিছিল বা প্ৰাকৃতিক দৃশ্যাৱলীৰপৰা আধ্যাত্মিক উপমা গ্ৰহণ কৰিছিল। নতুন কবিতাত প্ৰকৃতিৰ সৌন্দৰ্য কাব্যিক আনন্দৰ উৎস হ'ল। সিমানেই নহয়, কবিয়ে প্ৰকৃতিৰ ব্যক্তিগত সাহচৰ্য আৰু আন্তৰ আত্মীয়তা অনুভৱ কৰিলে। ৱৰ্ড্‌ছ্‌ৱৰ্থৰ দৰে অসমীয়া কবিকো ক্ষুদ্ৰতম পুষ্পই কাৰুণ্য-গভীৰ চিন্তা প্ৰদান কৰা হ'ল। ধৰ্মৰ অনুশাসন এৰাই প্ৰেমে বাক্‌স্বাধীনতা লাভ কৰিলে। বনৰীয়া বনগীতৰ ব্যক্তিগত প্ৰণয়-প্ৰীতি আৰু দেহৰ ক্ষুধাই কবিতাৰ আভিজাত্য পালে। অমৰ মানৱশক্তিয়ে নিজৰ জয় ঘোষণা কৰিলে। সাধাৰণ মানুহ আৰু সৰল গ্ৰাম্য জীৱনো গৌৰৱভাগী হ'ল। তীব্ৰতামুখৰ হৃদয়-বৃত্তিয়ে সমুদ্ৰৰ তৰঙ্গৰ দৰে বাধা-বন্ধন অতিক্ৰম কৰি আত্মপ্ৰকাশ বিচাৰিলে। অতিবাস্তৱ বিস্ময়াত্মক জগতৰ স্থিতিবিৰল দেৱযোনি প্ৰাণীয়েও কাব্যত নতুন প্ৰকাশভিক্ষা কৰিলে। প্ৰকাশৰ অবাৰিত স্বাধীনতা আৰু কল্পনাপ্ৰৱণতা ৰোমান্টিক কাব্যৰ উন্মুক্ত লক্ষণ। কাব্যিক ৰূপৰ ফালৰপৰা লিৰিক্ এই নতুন প্ৰৱাহৰ এক বিশিষ্ট দান। আত্মসচেতন কাহিনী-গীতি (literary ballad),বৰ্ণনাত্মক খণ্ডকবিতা আদি ৰূপৰ অৱতৰণ ঘটিল। ভাষা-শৈলীয়ে জনগণৰ পৰিচিত ৰূপ ল'লে, আৰু কাব্যৰ সংবেদনশীলতা হ'ল প্ৰত্যক্ষ আৰু প্ৰাঞ্জল।

46. খণ্ডটিত পশ্চিম প্ৰৱাহৰ দ্বাৰৰ উন্মোচন ঘটিল বুলি উল্লিখিত বাক্যশাৰীয়ে কেনেধৰনৰ তাৎপৰ্য বহন কৰিছে?

(1) অসমীয়া ভাষা-সাহিত্যত কবিত্বময় জাগৰণৰ উচ্ছ্বাস ঘটিল।

(2) অসমীয়া ভাষাসাহিত্যত প্ৰথম ৰোমান্টিক ভাবাদৰ্শৰ উন্মেষ ঘটিল।

(3) অসমীয়া ভাষা-সাহিত্য আত্মপ্ৰত্যয়হীন ক্লেদ অৱসাদৰ পৰা মুক্ত হ'ল।

(4) অসমীয়া ভাষা -সাহিত্যক নতুনকৈ প্ৰকাশ স্বাধীনতা দিলে।



www.examrace.com

47. পৰাধীনতাৰ গ্লানিয়ে অন্তৰ বিষাক্ত কৰি তোলাত কবি সকলে স্বাধীনতাৰ জয়গান গোৱাৰ অৰ্থ কি?

(1) অৰ্থাৎ অসমীয়া কবিতাই নতুন ভাববস্তু আৰু আঙ্গিকেৰে সমৃদ্ধ হৈ পৰিল।

(2) অৰ্থাৎ অসমীয়া কবিতাই ৰোমান্টিক অনুৰাগৰ প্ৰতি আকৰ্ষিত হৈ পৰিল।

(3) অৰ্থাৎ অসমীয়া কবিতা প্ৰকৃতি,সৌন্দৰ্য, ব্যক্তিগত প্ৰেম-প্ৰণয় আদি চিন্তাৰে মুখৰিত হৈ পাৰিল।

(4) অৰ্থাৎ অসমীয়া কবিতা সৰ্বক্ষেত্ৰতে গৌৰৱান্বিত হৈ পৰিল।

48. নতুন কবিতাত প্ৰকৃতিৰ সৌন্দৰ্য কাব্যিক আনন্দৰ উৎস হোৱাৰবাবে কবিসকলে কি অনুভৱ কৰিলে?

(1) প্ৰাকৃতিক পটভূমি আৰু আধ্যাত্মিক উপমাৰ-সাহচৰ্য অনুভব কৰিলে।

(2) ৰোমান্টিক ভাৱনা আৰু সৌন্দৰ্য সাধনাৰ অনুভৱ কৰিলে।

(3) প্ৰকৃতিৰ ব্যক্তিগত সাহচৰ্য আৰু অন্তৰ আত্মীয়তা অনুভৱ কৰিলে।

(4) আশাব্যঞ্জক অনুভূতি আৰু আবেগ-প্ৰৱণতাৰ অনুভৱ কৰিলে।

49. বনৰীয়া বনগীতৰ ব্যক্তিগত প্ৰণয়-প্ৰীতি আৰু দেহৰ ক্ষুধাই কবিতাৰ আভিজাত্য পালে বুলি কোৱাৰ কাৰণ কি?

(1) ৰোমান্টিক কবিতাত চহাজীৱনৰ প্ৰেম-প্ৰীতিৰ স্বাভাৱিক প্ৰকাশ ঘটিল।

(2) ৰোমান্টিক কবিতাত প্ৰেমে বাক্‌স্বাধীনতা লাভ কৰিলে।

(3) ৰোমান্টিক কবিতাত প্ৰেমে চহা-জীৱন চিন্তাৰ আভিজাত্য পালে।

(4) ৰোমান্টিক কবিতাত প্ৰেমে সামাজিক আৰু ধৰ্মীয় বান্ধোন ছিঙি তাৰ উন্মুক্ত প্ৰকাশ ঘটালে।

50. প্ৰকাশৰ অবিৰত স্বাধীনতা আৰু কল্পনা প্ৰৱণতা ৰোমান্টিক কাব্যৰ উন্মুক্ত লক্ষণ, কাৰণ-

(1) ৰোমান্টিক কবিতাত মানুহৰ অন্তস্থিত অণুভূতি আৰু আবেগ প্ৰৱণতাই স্বাভাৱিক প্ৰকাশ লাভ কৰে।

(2) ৰোমান্টিক কবিতাত মানুহৰ অসংলগ্ন চিন্তা আৰু আৱেগৰ সুচল প্ৰকাশ ঘটে।

(3) ৰোমান্টিক কবিতাত মানুহৰ তীব্ৰতামুখৰ হৃদয়-বৃত্তিৰ আবেগিক প্ৰকাশ ঘটে।

(4) ৰোমান্টিক কবিতাত মানুহৰ অতিবাস্তৱ বিস্ময়াত্মক চিন্তাৰ যথাযথ প্ৰকাশ ঘটে।

-o0o-



www.examrace.com

**Space For Rough Work**

ExamRace



www.examrace.com